# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 18-NOV-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
# *Headlines*

-------------------

১।	নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুযায়ী অসমৰ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ প্ৰক্ৰিয়া আজি আৰম্ভ। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ সংবাদমেল।

২।	জনতাৰ শিল্পী জুবিন গাৰ্গৰ ৫৩ সংখ্যক জন্মদিনত ৰাজ্যবাসীৰ শিল্পীগৰাকীক স্মৰণ, বিভিন্ন কাৰ্যসূচীৰ আয়োজন।

৩।	জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্ত চলোৱাৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ ধাৰাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ যাৱতীয় অনুমোদন প্ৰদান।

*আৰু*

৪।	এছ বি আই-আই টি এফ জুনিয়ৰ জে-ছিক্সটি আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত অসমৰ শ্বেৰী শৰ্মা প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ।

ooooo

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণ সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। নিৰ্বাচন আয়োগে কালি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ বাবে পত্ৰ প্ৰেৰণ কৰাৰ পাছতে আজি সংবাদমেল সম্বোধন কৰি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কোৱা অনুসৰি ভোটাৰৰ তথ্য ছপা কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। এই প্ৰক্ৰিয়া ২১ নৱেম্বৰলৈ চলিব। ২২ নৱেম্বৰৰ পৰা বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে মৃত্যু হোৱা কোনো লোকৰ নাম ভোটাৰ তালিকাৰ থাকিলে কৰ্তনৰ ব্যৱস্থা কৰিব। আনহাতে অসমৰ কোনো লোকৰ নাম বহিঃৰাজ্যৰ ভোটাৰ তালিকাত থাকিলে তেনে লোকৰ নাম অসমৰ ভোটাৰ তালিকাৰ পৰা কৰ্তন কৰা হ'ব। বুথ পৰ্যায়ৰ বিষয়াসকলে কোনো লোকক ঘৰত নাপালে তিনিবাৰ পৰ্যন্ত গৈ পুনৰীক্ষণ সম্পূৰ্ণ কৰিব লাগিব। সকলো তথ্য বিশেষ এপত সংগ্ৰহ কৰা হ'ব।

**বাইট (অনুৰাগ গোৱেল)**

মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে লগতে কয়, যে এটা ভোটকেন্দ্ৰত এহেজাৰ ২০০তকৈ অধিক ভোটাৰ নথকাৰ ব্যৱস্থা কৰা হ'ব। সেই অনুসৰি অসমৰ জনসংখ্যাৰ হিচাপত এহেজাৰ ৮২৬টা ভোটকেন্দ্ৰ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে। এই বিষয়ে জিলা পৰ্যায়ত আলোচনা চলি আছে। একেখন সংবাদমেলতে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয়, যে ফেব্ৰুৱাৰী মাহৰ পাছত ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা হোৱাৰ সম্ভাৱনা আছে। খচৰা ভোটাৰ তালিকা প্ৰকাশৰ ১৫ দিনৰ ভিতৰত কোনো লোকৰ কিবা অভিযোগ থাকিব সেই অভিযোগ জিলা আয়ুক্তক দিব পাৰিব। জিলা আয়ুক্তৰ কাৰ্যালয়ত অভিযোগ নিষ্পত্তি নহ'লে সেই অভিযোগ মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত দাখিল কৰিব পাৰিব।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ আজি ৫৩ সংখ্যক ওপজা দিন। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

প্ৰিয় শিল্পীগৰাকীৰ অবৰ্তমানত আজি তেওঁৰ অগণন অনুৰাগীয়ে তেওঁৰ ওপজা দিনটো পালন কৰি তেওঁৰ অস্তিত্বক মূৰ্ত কৰি তুলিছে। সোণাপুৰৰ কমাৰকুছিৰ জুবিন ক্ষেত্ৰত পুৱা ৰক্তদান শিবিৰ, নাম-প্ৰসংগ, নাহৰ পুলি ৰোপণ আৰু বিয়লি ৫ হাজাৰ গচি বন্তি প্ৰজ্বলন কৰা হৈছে। জুবিন ক্ষেত্ৰত ৫০০ আকাশবন্তিও প্ৰজ্বলন কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান, ভাওনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিতি বাসগৃহৰ চৌহদত শিল্পীগৰাকীৰ এটা আৱক্ষমূৰ্তি উন্মোচন কৰা হয়। শিল্পীগৰাকীৰ পত্নী গৰিমা গাৰ্গ, শিল্পীগৰাকীৰ পিতৃ মোহিনী মোহন বৰঠাকুৰৰ লগতে বিভিন্ন দল-সংগঠন তথা স্থানীয় জনসাধাৰণ এই কাৰ্যসূচীত উপস্থিত থাকে। আনহাতে, গুৱাহাটী বিশ্ববিদ্যালয়ত শিল্পীগৰাকীৰ স্মৃতিত এটা প্ৰতিমূৰ্তি স্থাপন কৰা হ'ব।

আজি বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰ জিলাৰ গৌৰাং নৈৰ পাৰৰ চান্দামাৰীত ৩০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ লগতে গৌৰাং নৈৰ পাৰত বিটিআৰৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে অসমীয়া আৰু বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰে।

গান (মায়াবিনী)

বিটিচিৰ মুখ্য কাৰ্যবাহী হাগ্ৰামা মহিলাৰীয়ে জুবিন গাৰ্গক তেওঁৰ এগৰাকী বিশিষ্ট বন্ধু বুলি অভিহিত কৰে আৰু শিল্পীগৰাকীয়ে অধ্যয়ন কৰা তামুলপুৰ আৰু বিজনীৰ হাইস্কুল দুখনক সৰ্বাঙ্গসুন্দৰ কৰি তোলা হ'ব বুলি ঘোষণা কৰে।

**বাইট (হাগ্ৰামা)**

বিজেপিয়ে আজি ৰাজ্যৰ ৫৩ খন স্থানত শিল্পীগৰাকীৰ সোঁৱৰণত ৰক্তদান শিবিৰৰ আয়োজন কৰে। লণ্ডনৰ পৰা উভতি অহা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰা খেলপথাৰত আয়োজিত শিবিৰত ৰক্তদান কৰে। বিজেপিৰ ৰাজ্যিক সভাপতি তথা সাংসদ দিলীপ শইকীয়াই এই ৰক্তদান শিবিৰ মুকলি কৰাৰ লগতে ৰক্তদান কৰে। এই শিবিৰত ভালেমান অনুৰাগী তথা দলটোৰ নেতা-কৰ্মীয়ে ৰক্তদান কৰে।

সদৌ অসম ছাত্ৰ সন্থাই আজি বিভিন্ন জিলাত জুবিন গাৰ্গৰ জন্মদিন পালনৰ সৈতে সংগতি ৰাখি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় বিচাৰি মানৱ শৃংখল উলিয়ায়। শিৱসাগৰ জিলা ছাত্ৰ সন্থাইও আজি নগৰৰ হাস্পতাল ৰোডত মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ণ কৰে।

গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ চৌহদতো আজি নাহৰ পুলি ৰোপণ কৰাৰ লগতে আৰু শিল্পীগৰাকীৰ মহান সৃষ্টি মায়াবিনী গীতটো প্ৰচাৰ ভাৰতীৰ বিষয়া-কৰ্মচাৰীসকলে পৰিৱেশন কৰে।

অসম গণ পৰিষদে শিল্পীগৰাকীৰ জন্মদিনটো সমগ্ৰ ৰাজ্যতে জাতীয় স্বাভিমান দিৱস হিচাপে পালন কৰিছে। এই উপলক্ষে আজি গুৱাহাটীৰ আমবাৰীত থকা দলৰ মুখ্য কাৰ্যালয়ত ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই এই শিবিৰ মুকলি কৰে। অসম গণ পৰিষদৰ বৰপেটা জিলা সমিতিয়ে আজি শিল্পীগৰাকীৰ ওপজা দিনটো স্বাভিমান দিৱস ৰূপে পালন কৰে। এই উপলক্ষে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনাই নাহৰকে ধৰি বিবিধ মূল্যবান গছপুলি ৰোপণ কৰা হয়।

শিল্পীগৰাকীৰ ওপজা দিন উপলক্ষে আজি শিলচৰত ব্যতিক্ৰমী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। জিলা ক্ৰীড়া সন্থা খেলপথাৰত আয়োজিত কাৰ্যসূচীত শিল্পীগৰাকীৰ কালজয়ী **মায়াবিনী ৰাতিৰ বুকুত** গীতটো অসমীয়া আৰু বাংলা ভাষাত সহস্ৰাধিক লোকে পৰিৱেশন কৰি শিল্পীগৰাকীৰ প্ৰতি বৰাকবাসীৰ অকৃত্ৰিম ভালপোৱা প্ৰকাশ কৰে।

গান (মায়াবিনী)

যোৰহাট জিলাত আয়োজিত ৰক্তদান শিবিৰত মৰিয়নী বিধায়ক ৰূপজ্যোতি কুৰ্মী উপস্থিত থাকে। সদৰ থানাত আয়োজিত কাৰ্যসূচীত আৰক্ষী অধীক্ষক শুভ্ৰজ্যোতি বৰা উপস্থিত থাকি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে।

গোলাঘাট জিলাত বিজেপি আৰু অসম গণ পৰিষদে যৌথভাৱে আয়োজন কৰা ৰক্তদান শিবিৰ বিত্ত মন্ত্ৰী অজন্তা নেওগে মুকলি কৰে। এই কাৰ্যসূচীত সাংসদ কামাখ্যা প্ৰসাদ তাছা, জিলা আয়ুক্ত পুলক মহন্ত উপস্থিত থাকে। ধেমাজি জিলাৰ স্বাস্থ্য ভৱনত আয়োজিত কাৰ্যসূচীত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰি জনসাধাৰণক ৰক্তদান কৰিবলৈ উৎসাহিত কৰে। ডিব্ৰুগড় জিলাৰ টিংখাং সমষ্টিৰ অন্তৰ্গত মৰাণৰ পিয়লি নগৰত আয়োজিত কাৰ্যসূচীত মন্ত্ৰী বিমল বৰাই ৰক্তদান কৰে। হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰত আয়োজিত ৰক্তদান শিবিৰত ৫০ৰো অধিক লোকে ৰক্তদান কৰে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। বিশ্বনাথ জিলাত আয়োজন কৰা ৰক্তদান শিবিৰত ১০০গৰাকীতকৈ অধিক লোকে ৰক্তদান কৰে। ৰক্তদান কাৰ্যসূচীৰ লগতে জিলাখনৰ কমলাকান্ত নাট্য সমাজে অঞ্চলটোত ৫৩ জোপা নাহৰ পুলি ৰোপণ কৰে। ৰক্তদান শিবিৰত বিশ্বনাথৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহালীৰ বিধায়ক দিগন্ত ঘাটোৱাল উপস্থিত থাকে। চৰাইদেউ জিলাৰ সোণাৰিৰ টীয়ক চাহ বাগিছা প্ৰেক্ষাগৃহত জীৱন সুৰভি শীৰ্ষক এটা ৰক্তদান শিবিৰত ৰাজ্যৰ পৰিবহন, পাৰ্বত্য অঞ্চল উন্নয়ন আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ উপস্থিত থাকে।

সৰভোগত আজি প্ৰয়াত শিল্পীগৰাকীৰ এটি পূৰ্ণাংগ মূৰ্তি উন্মোচন কৰা হয়। গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এই প্ৰতিমূৰ্তটো উন্মোচন কৰে। শিল্পী জুবিন গাৰ্গৰ ওপজা দিন উপলক্ষে গোৱালপাৰা জিলা সাংবাদিক সন্থাই বিস্তৃত কাৰ্যসূচী ৰূপায়ণ কৰে।

কাইলৈ গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত ৰাজ্যখনৰ ২০০ৰো অধিক শিল্পী আৰু কলা-কুশলীয়ে জুবিন গাৰ্গৰ কুৰিৰো অধিক গীত পৰিৱেশন কৰিব। এই অনুষ্ঠানৰ আজি আখৰা সম্পূৰ্ণ হয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্ত চলোৱাৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ ধাৰাৰ অধীনত যাৱতীয় অনুমোদন প্ৰদান কৰিছে। গৃহ মন্ত্ৰালয়ৰ অনুমতিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত অসম আৰক্ষীয়ে প্ৰস্তুত কৰা অভিযোগনামা দাখিলৰ পথ প্ৰশস্ত কৰিলে। উল্লেখযোগ্য যে দেশৰ বাহিৰত কোনো অপৰাধ সংঘটিত হ'লে কেন্দ্ৰীয় চৰকাৰে অনুমতি প্ৰদান নকৰালৈকে আদালতে সেই গোচৰৰ অভিযোগনামা গ্ৰহণ নকৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ আইনী কাম-কাজ আগবঢ়াই নিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় অনুমতি লাভ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে যে প্ৰাণৰ শিল্পীগৰাকীৰ ৫৩ সংখ্যক জন্মদিনৰ দিনাই গৃহমন্ত্ৰী অমিত শ্বাহে এই অনুমোদন জনাইছে।

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান মুন্না প্ৰসাদ গুপ্তাই কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা অনুমোদনৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰে। শ্ৰীগুপ্তাই লগতে কয়, যে বিদেশত সংঘটিত অপৰাধমূলক ঘটনাত ভাৰতীয় নাগৰিক জড়িত থাকিলে তেনে লোকৰ বিৰুদ্ধে আদালতত গোচৰ চলোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হয়। এই অনুমোদন আইনীভাৱে বাধ্যতামূলক বুলি উল্লেখ কৰি বিশেষ সঞ্চালক প্ৰধানগৰাকী কয়, যে জুবিন গাৰ্গৰ মৃত্যু বিদেশত হোৱা বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০৮ ধাৰাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে অনুমোদন প্ৰদান কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা ১০ ডিচেম্বৰৰ পূৰ্বে আদালতত দাখিল কৰাৰ চেষ্টা চলোৱা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে গোচৰ সংক্ৰান্তত এতিয়ালৈ ১৬০ জনৰো অধিক লোকৰ সাক্ষ্য লোৱা হৈছে আৰু ফৰেনচিক গৱেষণা গাৰৰ পৰাও যাৱতীয় প্ৰতিবেদন লাভ কৰিছে।

**বাইট (মুন্না প্ৰসাদ গুপ্তা)**

০০০০০

ৰাজ্যত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰে ৭ খন জিলাত গাহৰিৰ মাংস বিক্ৰীৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰিছে। তদুপৰি এখন জিলাৰ পৰা আন এখন জিলালৈ গাহৰিৰ সৰবৰাহৰ ক্ষেত্ৰতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। শিৱসাগৰ, ধেমাজি, লখিমপুৰ, ডিব্ৰুগড়, যোৰহাট, দৰং আৰু কামৰূপ জিলাত আফ্ৰিকান ছোৱাইন ফিভাৰে

ভয়াৱহ ৰূপ ধাৰণ কৰাৰ পৰিপ্ৰেক্ষিতত পশুপালন আৰু পশু চিকিৎসা বিভাগে তৎকালে কাৰ্যকৰী হোৱাকৈ এই নিষেধাজ্ঞা জাৰি কৰিছে। ছোৱাইন ফিভাৰৰ সংক্ৰমণ কমকৈ হোৱা জিলাসমূহত গাহৰিৰ মাংস বিক্ৰীৰ ক্ষেত্ৰত পশু চিকিৎসকে পৰীক্ষা কৰি দিয়া গাহৰি, পঞ্চায়ত, পৌৰ সভা আৰু নিগম-নিকায়ে ধাৰ্য কৰি দিয়া নিৰ্দিষ্ট স্থানতহে বিক্ৰী কৰিব পাৰিব। গুৱাহাটী মহানগৰত অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ কচাইখানাত কটা গাহৰিৰ মাংসহে বেচা-কিনা কৰিব পাৰিব। সংশ্লিষ্ট সকলো পক্ষই জৈৱ সুৰক্ষাৰ সকলো নীতি-নিয়ম মানি চলাৰ লগতে স্বাস্থ্যসন্মত পৰিৱেশ বজাই ৰখাটো বাধ্যতামূলক কৰা হৈছে। পশুপালন বিভাগৰ নিৰ্দেশনাত প্ৰকাশ পোৱা মতে ১০০ শতাংশ মৃত্যুৰ হাৰেৰে আফ্ৰিকান ছোৱাইন ফিভাৰ হৈছে গাহৰিৰ অতি সংক্ৰামক ভাইৰাছজনিত ৰোগ। যোৱা অক্টোবৰত ৰাজ্যৰ ৮৪টা স্থানত এই ৰোগৰ ব্যাপক সংক্ৰমণ ধৰা পৰে। বৰ্তমানলৈ এই ৰোগবিধৰ প্ৰতিষেধক ছিটা ওলোৱা নাই আৰু ফলপ্ৰসূ চিকিৎসা নোহোৱাৰ বাবে ইয়াক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে আক্ৰান্ত স্থানসমূহ চিনাক্ত কৰি যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে।

ইতিমধ্যে আফ্ৰিকান ছোৱাইন ফিভাৰত আক্ৰান্ত হোৱা হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ গাহৰি পালকসকলৰ যথেষ্ট ক্ষতি হৈছে।

ooooo

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সতীৰ্থ সমাজৰ উদ্যোগত দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত ভাৰতৰত্ন ড০ ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ সন্দৰ্ভত আলোচনা চক্ৰ আৰু বক্তৃতা অনুষ্ঠানৰ আজি সামৰণি পৰে। বিশ্ববিদ্যালয়ৰ বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত মুকলি সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱাহৰলাল নেহৰু আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক শৈলেন ভৰালীয়ে মুখ্য অতিথি হিচাপে উপস্থিত থাকে। সাহিত্যিক অনুৰাধা শৰ্মা পূজাৰীয়ে বিশিষ্ট অতিথি হিচাপে অনুষ্ঠানত অংশগ্ৰহণ কৰে। সাহিত্যিকগৰাকীয়ে সতীৰ্থ সমাজৰ **সুন্দৰৰ পূজাৰীলৈ শ্ৰদ্ধাৰ্ঘ্য** শীৰ্ষক স্মৃতি গ্ৰন্থখন উন্মোচন কৰে। অনুষ্ঠানত বিশিষ্ট শিল্পী কমল কটকীয়ে ড০ ভূপেন হাজৰিকা বিষয়ত মূল বক্তৃতা প্ৰদান কৰে। আনহাতে বিশিষ্ট অভিনেতা ৰোহী শৰ্মাই জুবিন গাৰ্গৰ বিষয়ে মূল বক্তৃতা প্ৰদান কৰে।

ooooo

এছ বি আই-আই টি এফ জুনিয়ৰ জে-ছিক্সটি আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাত অসমৰ শ্ৰেৰী শৰ্মাই প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। আন্তৰ্জাতিক টেনিছ প্ৰতিযোগিতাখনৰ মূল ৰাউণ্ডত খেলাৰ সুযোগ লাভ কৰা অসমৰ খেলুৱৈগৰাকীয়ে আজি দ্বিতীয় দিনা দেশৰে প্ৰতিদ্বন্দ্বী সৰ্ণীকা বিছানাকাৰক ৭-৫, ৬-১ৰ পোনপটীয়া ব্যৱধানত পৰাস্ত কৰি ছোৱালীৰ একক শাখাৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। গুৱাহাটীৰ চচলত থকা অসম টেনিছ সন্থাৰ প্ৰকল্পত চলি থকা প্ৰতিযোগিতাখনৰ ল'ৰাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ আন এখন খেলত অসমৰ আন এগৰাকী খেলুৱৈ ৰৌনক কাশ্যপে শীৰ্ষ বাছনিৰ আৰাধ্যা ক্ষিতিজৰ বিৰুদ্ধে ৬-০, ৬-১ পোনপটীয়া ছেটত পৰাস্ত হৈ বিদায় লয়। অসমৰ দুগৰাকী খেলুৱৈ ৱাইল্ড কাৰ্ড লাভ কৰি মূল ৰাউণ্ডত খেলাৰ সুযোগ লাভ কৰিছে। ১৮ বছৰ অনূৰ্ধৰ ল'ৰা আৰু ছোৱালীৰ আন্তৰ্জাতিক প্ৰতিযোগিতাখন আন্তঃৰাষ্ট্ৰীয় টেনিছ ফেডাৰেচন চমুকৈ আই টি এফৰ সহযোগত সদৌ অসম টেনিছ সন্থাই আয়োজন কৰিছে।

ooooo

সমাপ্ত